# SOCIOLOGICAL FOUNDATIONS OF EDUCATION

Paper: 4.01(General Course)

–ড° বন্দনা বৈশ্য

**(অধ্যায়–৫)**
**সামাজিক সংগঠন - বিসংগঠন**

সাধাৰনতে সমাজৰ লোকসকলে শৃংখলাবদ্ধভাবে গঠন কৰা গোটকে সামাজিক সংগঠন বোলা হয়। সমাজ এখন সুচাৰু ৰূপে পৰিচালিত কৰিবলৈ সামাজিক সংগঠনৰ অতি প্ৰয়োজন। আধুনিক সমাজত সৰু–বৰ বিভিন্ন ধৰণৰ সংগঠন দেখিবলৈ পোৱা যায়।যেনে – ধৰ্মীয় সংগঠন, ৰাজনৈতিক সংগঠন, অৰ্থনৈতিক সংগঠন, শিক্ষানুষ্ঠান আদি।এই সংগঠন সমূহৰ নিৰ্ধাৰিত কেতবোৰ লক্ষ্য বা উদ্দেশ্য থাকে।এই উদ্দেশ্য সমূহ ৰূপায়নৰ অৰ্থে সংগঠনৰ সদস্য সকলে পাৰস্পৰিক সহযোগীতাৰে একগোট হৈ কাম কৰে।

**সামাজিক সংগঠনৰ সংজ্ঞা**

সামাজিক সংগঠন সম্বন্ধে বিভিন্নজনে আগবঢ়োৱা কেতবোৰ সংজ্ঞা উল্লেখ কৰা হ'ল –

কুলেৰ ( Cooley ) মতে, " সামাজিক সংগঠন হৈছে ব্যক্তিৰ উমৈহতীয়া কাৰ্যাৱলী আৰু পাৰস্পৰিক বুজাবুজিৰ পৰণতিস্বৰূপ। "

স্কটৰ ( Scott ) মতে, "সংগঠন হৈছে বিশেষ লক্ষ্য সাধনৰ বাবে কম বেছি পৰিমাণে ধাৰাবাহিকভাবে গঠন কৰা গোট বা সমূহ।"

এইচ.এম.জনচনৰ ( H.M. Johnson ) মতে, "সামাজিক সংগঠনে সমাজৰ আন্তঃক্ৰিয়া ব্যৱস্হাৰ এটা উপাদানক বুজায়।"

**সামাজিক সংগঠনৰ বৈশিষ্ট্য**

সামাজিক সংগঠনৰ কেতবোৰ বৈশিষ্ট্য তলত উল্লেখ কৰা হ'ল–

১) নিৰ্দিষ্ট লক্ষ্য - প্ৰত্যেক সংগঠনৰে কেতবোৰ নিৰ্দিষ্ট লক্ষ্য থাকে।

২) পাৰস্পৰিক বুজাবুজি – সংগঠনৰ নিৰ্ধাৰিত কাৰ্যসমূহ সম্পাদন কৰিবলৈ ইয়াৰ সদস্যসকলৰ মাজত পাৰস্পৰিক বুজাবুজি আৰু সহযোগীতাৰ প্ৰয়োজন।

৩) নিয়মাৱলীৰ বোধ – সংগঠনে নিৰ্ধাৰন কৰা নিয়মাৱলী সম্বন্ধে ইয়াৰে সদস্যসকলৰ সম্যক জ্ঞান থকাটো আৰু নিষ্ঠাসহকাৰে মানি চলাটো অতি প্ৰয়োজন।

৪) সংগঠনৰ নিয়ন্ত্ৰন কাৰ্য - সংগঠনৰ কাৰ্যাৱলী সম্পাদনৰ ক্ষেত্ৰত সদস্যসকলৰ আচৰণ নিয়ন্ত্ৰনৰ বাবে প্ৰয়োজন সাপেক্ষে সংগঠনটোৱে বিভিন্ন ধৰণৰ পদ্ধতি অবলম্বন কৰিব পাৰে।

৫) আভ্যন্তৰীণ পৃথকীকৰণ – সংগঠনৰ ব্যক্তি বা সদস্যসকলৰ কৰ্তৃত্ব বা কাৰ্য সম্পাদনৰ দায়িত্ব অনুযায়ী তেওঁলোকৰ প্ৰস্হিতিৰ আভ্যন্তৰীণ ভাবে পৃথকীকৰণ কৰা হয়।

৬) সদস্য নিৰূপন – সংগঠনৰ প্ৰতিমান আৰু নিয়ম অনুযায়ীহে সদস্য অন্তৰ্ভুক্ত কৰা হয়।

৭) সাংগঠনিক চৰিত্ৰ - সাংগঠনিক চৰিত্ৰ অনুযায়ি সংগঠন সমূহ আনুষ্ঠানিক আৰু অনানুষ্ঠানিক এই দুই প্ৰকৃতিৰ হয়।

৮) অনুশাসন - সামাজিক সংগঠন সমূহে সমাজৰ প্ৰচলিত লোকাচাৰ,জনৰীতি অনুসৰি কিছুমান অনুশাসন বান্ধি দিয়ে। এই অনুশাসন মানি চলাটো সামাজিক সংগঠনৰ সদস্যসকলৰ কৰ্তব্য আৰু দায়িত্ব স্বৰূপ।

সামাজিক সংগঠনৰ প্ৰকাৰ – সামাজিক সংগঠন দুই প্ৰকাৰৰ, যেনে–

(ক) আনুষ্ঠানিক আৰু

(খ) অনানুষ্ঠানিক

**(ক) আনুষ্ঠানিক সামাজিক সংগঠন** সমূহৰ কাম-কাজ সম্পূৰ্ণ নীতি-নিয়ম অনুসৰি কৰা হয়। ইয়াত সদস্যসকলক তেওঁলোকৰ প্ৰস্হিতি অনুযায়ী বিভিন্ন কৰ্তৃত্ব দিয়া হয়। সদস্যসকলৰ পদমৰ্য্যদা, সাংগঠনিক স্হিতি, দায়িত্বৰ পৰিধি আদি প্ৰণালীবদ্ধ নিয়মৰ মাজেৰে নিৰ্দিষ্ট কৰা হয়। শিক্ষানুষ্ঠান, চৰকাৰী কাৰ্যালয়, বেংক, ধৰ্মীয় তথা সাংস্কৃতিক অনুষ্ঠান আদি আনুষ্ঠানিক সামাজিক সংগঠনৰ উদাহৰণ।

আনুষ্ঠানিক সামাজিক সংগঠনৰ বৈশিষ্ট্য হৈছে –

১) সকলো আনুষ্ঠানিক সংগঠনৰে কিছুমান নিৰ্দিষ্ট ভূমিকা থাকে।

২) ইয়াত চিনাক্তকৰণত সহাঁয়ক হোৱাকৈ আনুষ্ঠানিক আৰু ডাঙৰ সংগঠনবোৰৰ নাম আৰু প্ৰতীক চিহ্ন থাকে।

৩) সংগঠনৰ সুপৰিচালনাৰ বাবে প্ৰতিটো সংগঠনৰ কেতবোৰ নিৰ্ধাৰিত নীতি-নিয়ম থাকে যিবোৰ সদস্যসকলে বাধ্যতামূলকভাবে মানি চলিব লাগে।

৪) সদস্যসকলক ক্ৰম অনুসৰি তেওঁলোকৰ কতৃত্ব আৰু দায়িত্ব প্ৰদান কৰা হয়। উদাহৰণ স্বৰূপে শিক্ষানুষ্ঠান এখনত অধ্যক্ষ, উপাধ্যক্ষ, শিক্ষক, গ্ৰন্হাগাৰিক, কাৰ্যালয় কৰ্মচাৰী আদিৰ দায়িত্ব ক্ৰম অনুসৰি দিয়া হয়।

৫) ইয়াত কৰ্তৃত্বশীল মূৰব্বী গৰাকীয়ে সংগঠনটোৰ কাম-কাজৰ তদাৰক কৰে।

৬) আনুষ্ঠানিক সংগঠনসমুহ সাধাৰনতে স্হায়ী প্ৰকৃতিৰ হয়।

৭) এনে সংগঠনসমূহত নিজস্ব ক্ষেত্ৰত বিশেষজ্ঞলোকৰ প্ৰয়োজন হয়।

৮) আনুষ্ঠানিক সংগঠনত সদস্য অন্তৰ্ভুক্তিৰ বাবে নিৰ্দিষ্ট মাপকাঠি ব্যৱহাৰ কৰা হয়।

**(খ) অনানুষ্ঠানিক সামাজিক সংগঠন** সমূহ ধৰ্ম, সংস্কৃতি, আগ্ৰহ, আঞ্চলিকতাবাদ আদিৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠে। ইয়াত কোনো ধৰাবন্ধা নিয়ম নাথাকিবও পাৰে, কিন্তু দেখা যায় যে সদস্যসকলে সচেতন বা অসচেতনভাবে এই অলিখিত নীতি-নিয়ম সমূহ মানি চলে। ইয়াত সদস্যসংখ্যা সীমিত যদিও সংগঠনসমূহ স্হায়ী প্ৰকৃতিৰ হয়।

অনানুষ্ঠানিক সামাজিক সংগঠনৰ কেতবোৰ বৈশিষ্ট্য হৈছে –

১) ইয়াত সদস্যসকলৰ মাজত মুখামুখি আৰু দৈহিক উপস্হিতি দেখা যায়।

২) সদস্যসকলৰ মাজত সহযোগীতা আৰু বন্ধুত্বভাব দেখা যায়।

৩) ইয়াত কৰ্মৰ প্ৰস্তুতিতকৈ ভূমিকা পালনৰ ওপৰত বেছি গুৰুত্ব দিয়া দেখা যায়।

৪) আনুষ্ঠানিক সংগঠনৰ আকাৰ সৰু আৰু ইয়াৰ জটিলতা কম।

৫) আনুষ্ঠানিক সংগঠন সাধাৰনতে গতিশীল আৰু প্ৰয়োজন সাপেক্ষে পৰিবৰ্তনশীল হোৱা দেখা যায়।

## সামাজিক সংগঠনৰ কাৰক

সামাজিক সংগঠনৰ কেতবোৰ কাৰক তলত উল্লেখ কৰা হ'ল -

১) সামাজিক আৰু অৰ্থনৈতিক পৰিকল্পনা - সামাজিক আৰু অৰ্থনৈতিক পৰিকল্পনাই হৈছে সামাজিক সংগঠনৰ এক গুৰু দায়িত্ব। ব্যক্তিৰ অভিপ্ৰায় আৰু প্ৰয়োজনীয়তাৰ ওপৰত ভিত্তি কৰি পৰিকল্পনা বা আচনি যুগোতোৱাটো ব্যঞ্চনীয়। উপযুক্ত পৰিকল্পনা সমাজৰ বিকাশৰ ক্ষেত্ৰত প্ৰথম পদক্ষেপ।

২) পৰিকল্পনাৰ কাৰ্যকৰী কৰণ – সমাজৰ উৎকৰ্ষ সাধন পৰিকল্পনা আৰু নীতিৰ সফল ৰূপায়নৰ ওপৰত নিৰ্ভৰ কৰে।কাৰ্যকৰীকৰণ অবিহনে উপযুক্ত পৰিকল্পনাও মূল্যহীন হয়।

৩) সমাজ কল্যাণ কাৰ্যসূচী – সমাজৰ পিচপৰা লোকসকলৰ বিশেষ প্ৰয়োজন আৰু ব্যক্তিসকলৰ বিকাশৰ প্ৰতি লক্ষ্য ৰাখি সামাজিক সংগঠন সমূহে কেতবোৰ কল্যাণমূলক আচনি গ্ৰহণ কৰিব পাৰে।

৪) শৈক্ষিক সুবিধা প্ৰদান – সমাজৰ বিকাশৰ বাবে ব্যক্তিসকল নিজৰ কৰ্তব্য আৰু অধিকাৰৰ প্ৰতি সজাগ আৰু সচেতন হব লাগিব। প্ৰতিজন ব্যক্তিক সুনাগৰিক হিচাপে গঢ়ি তোলা সমাজৰ দায়িত্ব, ইয়াৰ বাবে শৈক্ষিক সুবিধা প্ৰদান কৰিব লাগে।

৫) সমাজবিৰোধী কাৰ্যৰ বিৰুদ্ধে সজাগ – সমাজবিৰোধী কাৰ্যকলাপৰ বিৰুদ্ধে লোকসকলক সজাগ কৰি তেওঁলোকৰ মনত ঐক্যতা আৰু দেশপ্ৰেমৰ মনোভাব জগাই তুলিব লাগে।

ইয়াৰ উপৰিও আন বিভিন্ন কাৰকে সামাজিক সংগঠন সমূহ প্ৰভাবিত কৰিব পাৰে।

## সামাজিক বিসংগঠন

সামাজিক বিসংগঠন হৈছে সমাজৰ এক জটিল সামঞ্জস্যহীন অবস্হা যিয়ে সমাজৰ প্ৰয়োজন সমূহ পূৰণ কৰিব নোৱাৰে। সংগঠিত সমাজ ব্যৱস্হাত নিৰ্দিষ্ট আৰ্হি আৰু কাৰ্যপ্ৰণালী থাকে। সামাজৰ লোকসকল যেতিয়া নিজৰ দায়িত্বৰ প্ৰতি সচেতন নহয়, তেওঁলোকৰ কাৰ্য সুচাৰুৰূপে সম্পাদন নকৰে তেতিয়াই সমাজত বিসংগতি আহে। ই সমাজৰ ভাৰসাম্য বিনষ্ট কৰে। সমাজৰ লোকাচাৰ, পৰম্পৰা, সংস্কৃতি আদিত ভাৰসাম্যহীনতাৰ সৃষ্টি কৰে। সামাজিক পৰিবৰ্তনৰ ফলস্বৰূপে সামাজিক বিসংগঠনৰ সৃষ্টি হয় যদিও নতুন সংগঠনৰ বিকাশে ইয়াৰ প্ৰভাব কমাই আনে। ই এক স্বাভাৱিক সামাজিক প্ৰক্ৰিয়া।

## সামাজিক বিসংগঠন সংজ্ঞা

সামাজিক বিসংগঠনৰ কেইটামান সংজ্ঞা তলত উল্লেখ কৰা হ'ল –

সামাজিক বিসংগঠন সম্বন্ধে মত প্ৰকাশ কৰি অগবাৰ্ণ আৰু নিমকফে (Ogburn and Nimkoff) কয় যে–"যেতিয়া সংস্কৃতিৰ বিভিন্ন অংশৰ সম্বন্ধৰ মাজত থকা সমন্বয় বাধাপ্ৰাপ্ত হয়, তেতিয়া সামাজিক বিসংগঠনে দেখা দিয়ে।"

এমিল ডুৰখেইমৰ(Emile Durkheim) মতে, "সামাজিক বিসংগঠন হল সমাজ জীৱনত সৃষ্টি হোৱা এক ভাৰসাম্যহীন অৱস্হা আৰু সমাজৰ সদস্যসকলৰ মাজত সামাজিক মতামত আৰু কাৰ্যত একতাৰ অভাৱ।"

পি.এইচ.লেণ্ডিচৰ(P.H.Landis) মতে, "সামাজিক বিসংগঠনে সামাজিক নিয়ন্ত্ৰণ ভংগ হোৱাটোৱে বুজায় যিয়ে বিশৃংখলতা আৰু বেমেজালিৰ সৃষ্টি কৰে।"

## সামাজিক বিসংগঠন বৈশিষ্ট্য

১) আদৰ্শৰ দন্দ – সমাজৰ পৰিবৰ্তন আৰু প্ৰয়োজনীয়তাৰ ভিত্তিত নতুন আদৰ্শ আৰু সংগঠনৰ উদ্ভব হয়। এই নতুন আদৰ্শ আৰু সমাজত প্ৰচলিত পুৰণি আদৰ্শৰ মাজত সংঘৰ্ষৰ সৃষ্টি হয়। ফলত, ব্যক্তিসকলৰ মাজত মতাদৰ্শৰ সৃষ্টি হয় আৰু সমাজত বিসংগতিয়ে দেখা হয়।
২) সংগঠনৰ কাৰ্যৰ পৰিবৰ্তন – সমাজ ব্যৱস্হাৰ পৰিবৰ্তনে কিছুমান সামাজিক সংগঠনৰ কাৰ্য সম্পাদনৰ দায়িত্বও অন্য কিছুমান সংগঠনলৈ পৰিবৰ্তিত কৰে।
৩) ব্যক্তিগত সিদ্ধান্তত গুৰুত্ব - আধুনিক সমাজত ব্যক্তিগতকৰণে প্ৰধান্য লাভ কৰিছে। ব্যক্তিয়ে কিছুমান সিদ্ধান্ত নিজে গ্ৰহণ কৰে। কিন্ত এনে ব্যক্তিগত সিদ্ধান্তবোৰ বহুসময়ত সমাজে গ্ৰহণ নকৰাৰ বাবে বিসংগতিয়ে দেখা দিয়ে।
৪) আকাংক্ষা আৰু সাফল্যৰ মাজৰ দন্দ – যেতিয়া ব্যক্তিয়ে আকাংক্ষিত দিশসমূহত সাফল্য লাভ কৰিবলৈ অনুপযুক্ত আৰু অসৎ পথ গ্ৰহণ কৰে তেতিয়া সমাজত বিশৃংখলতাই দেখা দিয়ে।
৫) সামাজিক ভূমিকাৰ অস্পষ্টতা – সামাজিক গাঠনিৰ পৰিবৰ্তনে সামাজিক ভূমিকাৰ ক্ষেত্ৰতো পৰিবৰ্তন আনিছে যদিও ইয়াৰ কোনো নিৰ্দিষ্ট ধাৰণা নথকাৰ ফলত ইয়ে ব্যক্তিসকলৰ মাজত অসন্তুষ্টি আৰু হতাশাৰ সৃষ্টি কৰে।

## সামাজিক বিসংগঠনৰ প্ৰকাৰ

সামাজিক বিসংগঠনক চাৰিটা প্ৰকাৰত ভাগ কৰা হৈছে। যেনে–
১) ব্যক্তিগত বিসংগঠন – ব্যক্তিগত পৰ্যায়ত দেখা দিয়া বিশৃংখলতা বা বিসংগঠনেই হৈছে ব্যক্তিগত বিসংগঠন।
২) পৰিয়াল বিসংগঠন – সামাজিক পৰিবৰ্তনে ব্যক্তিৰ জীৱন শৈলীও প্ৰভাৱিত কৰিছে। ব্যক্তিমনত সহযোগীতা, সহমৰ্মিতা, বিশ্বাস আদিৰ অভাবে সামাজিক তথা পৰিয়ালৰ গাঠনিত ভাঙোন আনিছে।
৩) সাম্প্ৰদায়িক বিসংগঠন - সাম্প্ৰদায়িক বিসংগঠন একতা আৰু সহযোগীতাৰ ওপৰত প্ৰতিস্হিত, এই ক্ষেত্ৰত সংশয় আৰু দ্বন্দৰ ভাব জন্মিলে সম্প্ৰদায়ত বিসংগঠনে দেখা দিয়ে।
৪) আন্তৰ্জাতিক বিসংগঠন – আন্তৰ্জাতিক ক্ষেত্ৰত বুজাপৰাৰ অভাব হলে সমস্যাই দেখা দিয়ে আৰু সমগ্ৰ বিশ্বতে এক ভৰসাম্যহীন অৱস্হাৰ সৃষ্টি হয়।

সমাজত দেখা দিয়া এনে বিসংগতিয়ে সমাজৰ প্ৰগতি আৰু বিকাশৰ ক্ষেত্ৰত বাধাৰ সৃষ্টি কৰে।

## সামাজিক বিসংগঠনৰ কাৰণ

সামাজিক বিসংগঠন বিভিন্ন কাৰণত দেখা দিব পাৰে। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ বিকাশ, সাংস্কৃতিক পৰম্পৰা, ধৰ্ম, দৰ্শন, মানবীয় মূল্যবোধৰ অবনয়ন আদি বিভিন্ন দিশ বিসংগঠনৰ কাৰক হব পাৰে। ইয়াৰে কেতবোৰ কাৰণ তলত চমুকৈ আলোচনা কৰা হ'ল -

১) সামাজিক পৰিবৰ্তন সামাজিক বিসংগঠনৰ প্ৰধান কাৰণ।

২) বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ বিকাশৰ ফলত সমাজৰ বস্তুবাদী দিশবোৰ দ্ৰুতভাবে পৰিবৰ্তন হোৱাৰ বিপৰীতে সমাজৰ চিন্তাধাৰা, পৰম্পৰা, সংস্কৃতি আদি অবস্তুগত দিশবোৰৰ বিকাশ যথেষ্ট মন্থৰ গতিত হয়। ফলত সমাজত বৈষম্যৰ সৃষ্টি হয়।

৩) যুদ্ধৰ ফলত হোৱা অৰ্থনৈতিক ক্ষতি আৰু মানৱ সম্পদৰ গুণগত মানৰ অবনতিৰ ফলত সামাজিক বিসংগতিয়ে দেখা দিয়ে।

৪) সমাজৰ দ্ৰুত পৰিবৰ্তনৰ ফলত সামাজিক মূল্যবোধৰো যথেষ্ট অবনতি হোৱা দেখা যায়।

৫) কোনো কোনো ক্ষেত্ৰত বিভিন্ন ভৌগলিক পৰিস্হিতিও সামাজিক বিসংগতিৰ কাৰক হয়।

৬) সমাজত দেখা দিয়া সমস্যাসমূহেও সমাজৰ সুস্হ বিকাশত বাধাৰ সৃষ্টি কৰে, যাৰ ফলত সমাজত বিশৃংখলতাৰ সৃষ্টি হব পাৰে।

৭) জনসংখ্যা বৃদ্ধিয়ে যিদৰে সমাজত না না সমস্যাৰ সৃষ্টি কৰে সেইদৰে জনসংখ্যাৰ অভাবেও সমস্যাৰ সৃষ্টি কৰিব পাৰে। গতিকে জৈৱিক দিশটোও সামাজিক বিসংগতিৰ এটা কাৰণ।

ইয়াৰ উপৰিও দৰিদ্ৰতা, সন্ত্ৰাসবাদ আদি কাৰকেও সমাজৰ সংহতিত বাধাৰ সৃষ্টি কৰিব পাৰে।

**সামাজিক বিসংগঠনৰ প্ৰতিকাৰৰ উপায়**

সামাজিক বিসংগঠন ৰোধ কৰিবলৈ হ'লে প্ৰতিকাৰৰ ব্যৱস্হা গ্ৰহণ কৰিব লাগিব ।এনে কেতবোৰ প্ৰতিকাৰ ব্যৱস্হাৰ বিষয়ে তলত উল্লেখ কৰা হল –

১) সমাজৰ ব্যক্তিসকলৰ মাজত স্বদেশপ্ৰেম, জাতীয়তাবোধ, জাতীয় ঐক্য আৰু সংহতিৰ ভাব জগাই তুলিব লাগিব।

২) নতুন প্ৰজন্ম আৰু পুৰণি প্ৰজন্মৰ মাজত থকা মনোভাব আৰু চিন্তাৰ ব্যৱধান দূৰ কৰাৰ বাবে উপযুক্ত শিক্ষা প্ৰদান কৰিব লাগিব।

৩) সমাজকল্যাণমূলক আচনিৰ জৰিয়তে সংগঠনৰ মূল্যবোধ আৰু বিসংঠনৰ ঋণাত্মক দিশসমূহৰ বিষয়ে সমাজৰ লোকসকলক অবগত কৰিব লাগে।

৪) সমাজৰ প্ৰতিজন ব্যক্তিৰ শাৰিৰীক, মানসিক, আবেগিক আৰু সামাজিক দিশৰ সুস্হ বিকাশৰ বাবে শিক্ষাৰ উপযুক্ত প্ৰয়োগ কৰিব লাগে।

৫) সমাজৰ পৰম্পৰা, ৰীতি–নীতি, লোকাচাৰ, সংস্কৃতিৰ ধনাত্মক দিশবোৰৰ বিষয়ে বিস্তাৰিতভাবে নতুন প্ৰজন্মক অবগত কৰিব লাগে।

৬) জনসংখ্যা বিস্ফোৰনকে ধৰি সমাজৰ বিভিন্ন সমস্যাসূহ সুস্হভাবে আৰু বিজ্ঞানসন্মতভাবে সমাধান কৰাৰ বাবে উপযুক্ত ব্যৱস্হা গ্ৰহণ কৰিব লাগে।

গতিকে, সমাজৰ বিকাশ আৰু উন্নতিৰ বাবে সামাজিক বিসংগতিৰ সমস্যাসমূহ ৰোধ কৰি সামাজিক সংগঠনৰ বাবে পদক্ষেপ গ্ৰহণ কৰিব লাগিব।

*************************

# প্ৰসংগ পুথি

1. Mathur S.C. – "A Sociological Approach of Indian Education "
2. Devi Dr. R and Mukharjee A. – "Sociological Foundation of Education"
3. Das Dr, L. – "Educational Sociology"
4. দাস,ড° ফুনু কলিতা, ড° উৎপল – "স্নাতক মহলাৰ শিক্ষাৰ সমাজতাত্বিক ধাৰা"